Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

**RAJIV BHAWAN**
**INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005**

Ref No. **Date: 18-11-2015**

## প্ৰেছ বিবৃত্তি

### বি.জে.পি.ৰ অসমৰ তত্বাবধায়ক মহেন্দ্ৰ সিঙক অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কটাক্ষ ঃ

**গুৱাহাটী, ৰাজীৱ ভৱন, ১৮ নবেম্বৰ ২০১৫** ঃ ১৭ নবেম্বৰ তাৰিখে বি.জে.পি.ৰ ৰাষ্ট্ৰীয় সম্পাদক অসমৰ প্ৰভাৰী মহেন্দ্ৰ সিঙে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ দেৱক মিছা কথা কোৱাত পাকৈত বুলি কৰা মন্তব্যত, অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে- কোনো কালে আজি পৰ্য্যন্ত - মন্ত্ৰী, বিধায়ক, সাংসদ হৈ নোপোৱা আৰু অসমৰ ধুলি-বালি মাটি, পানী আৰু বায়ুৰ লগত কোনো সম্পৰ্ক নথকা মহেন্দ্ৰ সিঙৰ দৰে নেতাৰ লম্ফ-জম্ফ কথাত অসমৰ মানুহ ভূল নাযায়। বি.জে.পি. চৰকাৰৰ প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডীয়ে বিদেশৰ ক'লা টকা ঘুৰাই আনি প্ৰতিজন ভাৰতীয়ৰ বেংক একাউণ্টত ১৫ লাখকৈ টকা ১০০ দিনৰ ভিতৰত জমা কৰা হ'ব বুলি দিয়া প্ৰতিশ্ৰুতি আজি এবছৰ আঠ মাহ পাৰ হোৱাৰ পিছতো পূৰণ নকৰাটো নৰেন্দ্ৰ মোডীৰ কেনেকুৱা সত্যবাদী আচৰণ মহেন্দ্ৰ সিঙে উত্তৰ দিয়ক। প্ৰতি বছৰত দেশৰ দুই কোটি নিৱনুৱা যুৱক-যুৱতীক বি.জে.পি. চৰকাৰে কৰ্ম সংস্থাপন দিয়া হ'ব বুলি কৈ, এতিয়া কৰ্ম সংস্থাপন দূৰৰে কথা এবছৰলৈ কেন্দ্ৰীয় চৰকাৰৰ নিযুক্তি বন্ধ কৰি আৰু কেন্দ্ৰীয় চৰকাৰৰ বহু পদ বিলুপ্তি ঘটাই কেনে সত্যাবাদীৰ পৰিচয় দিছে? অসম তথা উত্তৰ পূৰ্বাঞ্চলত বি.জে.পি. চৰকাৰৰ আমোলত "মহালক্ষ্মীয়ে বিৰাজ কৰিব" বুলি প্ৰতিশ্ৰুতি দিয়া নৰেন্দ্ৰ মোডীয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ "বিশেষ শ্ৰেণীৰ ৰাজ্য"ৰ মৰ্য্যদা কৰ্ত্তন কৰি, ৯০ ঃ ১০ অনুপাতৰ কেন্দ্ৰীয় পূঁজিৰ আৱণ্টন বন্ধ কৰি, অসমৰ প্ৰাপ্য বান সাহাৰ্য্য বন্ধ কৰি, শিক্ষ্য, স্বাস্থ্য, পঞ্চায়ত ও গ্ৰামোন্নয়ন, শিশু আৰু মহিলা বিকাশ আদি বিভিন্ন শিতানত আৱণ্টিত পূঁজিৰ ব্যাপক কৰ্ত্তন কৰি, উত্তৰ পূৰ্বাঞ্চলৰ উদ্যোগিক নীতি নিলম্বন কৰি অসমত খাদ্য সুৰক্ষা আইন ৰূপায়নত বিধি-পথালি দি অসমৰ প্ৰতি যি চৰম অন্যায় কৰিছে এয়া মোডীৰ মিথ্যাচাৰ হয়নে নহয় বি.জে.পি.য়ে উত্তৰ দিয়ক। ২০১৪ চনৰ লোকসভা নিৰ্বাচনত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিত কংগ্ৰেছ চৰকাৰক জগৰীয়া কৰি বি.জে.পি. চৰকাৰ আহিলে সামগ্ৰীৰ মূল্য আধালৈ হ্ৰাস কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দি, এতিয়া বি.জে.পি. শাসনৰ এক বছৰ আঠ মাহত পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ আমোলৰ সামগ্ৰীৰ মূল্যতকৈ চাৰিগুন-পাঁচগুন বৃদ্ধি কৰি দৰিদ্ৰ ৰাইজক ৰাম টাঙোন সোধাই কেনে সত্যবাদীৰ পৰিচয় দিছে, মহেন্দ্ৰ সিঙে উত্তৰ দিয়ক। এইজন প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডীয়ে গুজৰাট বিধান সভাৰ তিনিটা নিৰ্বাচনত নিজৰ বিবাহিতা পত্নীক দেশবাসীৰ পৰা লুকুৱাই ৰাখি নিৰ্বাচনী আয়োগৰ শপত নামাত নিজকে অবিবাহিত বুলি ঘোষণা কৰা কাৰ্য্যক, বি.জে.পি. দলে নৰেন্দ্ৰ মোদীৰ এনে মিথ্যাচাৰক কি বুলি আখ্যা দিব অসম বাসীক স্পষ্ট কৰক।

Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

**RAJIV BHAWAN**

**INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005**

Ref No. **Date: 18-11-2015**

বি.জে.পি. নেতা মহেন্দ্র সিঙে কলেই অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ মিছলীয়া হ'ব নোৱাৰে, অসমৰ ৰাইজেহে এই কথা বিচাৰ কৰিব। মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ মিছলীয়া নহয় বাবেই অসমৰ ৰাইজে তিনিবাৰকৈ তেখেতক বিপুল ভোটত মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰিছে। একেৰাহে তিনিটা কাৰ্য্যকালৰ বাবে মুখ্যমন্ত্ৰী হোৱা ভাৰতৰ অন্যতম জ্যেষ্ঠ ৰাজনীতিবিদ শ্ৰীযুত তৰুণ গগৈ দেৱক মহন্দ্ৰে সিঙৰ দৰে ভৰিৰ তলত মাটি নোহোৱা নেতাৰ চাৰ্টিফিকেট নালাগে। আমাক অসমৰ ৰাইজৰহে চাৰ্টিফিকেট লাগে।

দীৰ্ঘদীন ধৰি বাংলাদেশত কাৰাৰুদ্ধ হৈ থকা আলফা নেতা অনুপ চেতিয়াৰ ভাৰতলৈ প্ৰত্যাৱৰ্ত্তনৰ সম্পৰ্কত বি.জে.পি. দলে অনাহকত কৃৰ্ত্তিত্বৰ দাবী কৰি ব্যৱসায়িক পেকেজৰ দৰে নিকৃষ্ট ৰাজনীতি কৰিছে। গনতন্ত্ৰত চৰকাৰ এক ধাৰাবাহিক প্ৰক্ৰিয়া এই কথা সৰ্বজন বিদিত। একে ৰাতিৰ ভিতৰত অনুপ চেতিয়াৰ ভাৰতলৈ প্ৰত্যাৱৰ্ত্তন হোৱা নাই। ই এক দীৰ্ঘকালীন প্ৰক্ৰিয়াৰ যোগেদিহে সম্ভৱ হৈছে। তদানিন্তন কংগ্ৰেছ চৰকাৰৰ প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙৰ আমোলত আলফা নেতা অনুপ চেতিয়াক ভাৰতলৈ ঘুৰাই দিয়াৰ সম্পৰ্কত দুয়ো দেশৰ প্ৰধানমন্ত্ৰীৰ লগত আৰু বিষয়া পৰ্যায়ত কেইবালানিও দ্বিপাক্ষীক আলোচনাৰ অন্ততহে অনুপ চেতিয়াৰ প্ৰত্যাৱৰ্ত্তন সম্ভৱ হৈ উঠিছে। এই ক্ষেত্ৰত বি.জে.পি. দলে কৃত্তিত্ব লবলৈ যিমানেই নিকৃষ্ট ৰাজনীতি নকৰক কিয়, দেশৰ আইন আৰু সাংবিধানিক প্ৰক্ৰিয়াৰ তথ্যই কিন্তু বি.জে.পি.ক এই ক্ষেত্ৰত লোকৰ পিঠাৰে বিহু পাতিবলৈ দিয়া নাই।

মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈৰ পুত্ৰ সাংসদ গৌৰৱ গগৈৰ সম্পৰ্কত বি.জে.পি. নেতাই কৰা মন্তব্যও অগনতান্ত্ৰিক। কাৰণ গৌৰৱ গগৈ ৰাইজৰ বিপুল ভোটেৰে সাংবিধানিক প্ৰক্ৰিয়াৰ মাজেদিহে সাংসদ হৈছে। শেহতীয়াভাৱে গৌৰৱ গগৈয়ে সংসদত বি.জে.পি.ৰ জন-বিৰোধী নীতি সমূহ উদঙাই দিয়াৰ বাবেই বি.জে.পি. দল গৌৰৱ গগৈৰ প্ৰতি ঈৰ্ষান্বিত হৈছে। গৌৰৱ গগৈয়ে অসম চৰকাৰৰ প্ৰশাসনত হস্তক্ষেপ কৰাৰ কিবা উদাহৰণ আছে যদি, বি.জে.পি.য়ে স্পষ্ট কৰক। অসমত বাপ-বেটাৰ ৰাজ চলা নাই, বৰঞ্চ বি.জে.পি. শাসিত ৰাজ্য ৰাজস্থানতহে মুখ্যমন্ত্ৰী বসুন্ধৰা ৰাজে আৰু তেওঁৰ পুত্ৰ দুষ্যন্ত সিঙৰ মা-বেটাৰ ৰাজত্ব চলিছে। য'ত আই.পি.এল. ক্ৰিকেট কেলেংকাৰীৰ নায়ক ললিত মোডীৰ লগত লগ হৈ কৰা দূৰ্নীতিয়ে ভাৰতবৰ্ষৰ মান মৰ্য্যদা বিশ্ববাসীৰ ওচৰত অৱনমিত কৰিছে।

আমাৰ দৃঢ় বিশ্বাস অনাগত দিনত অসমৰ ৰাইজ বি.জে.পি.ৰ এনে মিথ্যাচাৰ আৰু ব্যৱসায়িক পেকেজ কেন্দ্ৰীক ৰাজনীতিৰ চলনাত দ্বিতীয়বাৰলৈ ভুল নাযায়।

**(ৰিপুন বৰা)**
উপ-সভাপতি
অসম প্ৰদেশ কংগ্ৰেছ কমিটী